# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুদিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ দিহিৰা, হজুৱা আৰু ককলাবাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ড০ শৰ্মাই আজি ওদালগুৰি জিলাতো কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে।

কংগ্ৰেছ দলৰ শীৰ্ষ নেতা তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে আজি বাক্সা জিলাৰ শালবাৰী আৰু ককলাবাৰীত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গগৈয়ে বিজেপিয়ে বিপিএফ আৰু ইউ পি পি এলৰ সৈতে একজোট হৈ চলোৱা দুটা শাসনকালত বিটিচিৰ খিলঞ্জীয়া জনসাধাৰণক ভূমিৰ পট্টা প্ৰদান নকৰিলে বুলি অভিযোগ কৰে আৰু এইবাৰৰ বিটিচি নিৰ্বাচনত ৰাইজে বিবেকৰ আহ্বান অনুসৰি ভোটদান কৰিব বুলি মন্তব্য কৰে।

**বাইট (গৌৰৱ গগৈ)**

ooooo

সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে বৃহৎ চিকিৎসা শিবিৰ মুকলি কৰে। এই শিবিৰত ৫০টাতকৈ অধিক ৰোগৰ বিনামূলীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আটাইকেইটা বিধানসভা সমষ্টিতে এই শিবিৰ মুকলি কৰা হৈছে। **গোৱালপাৰা** জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ সহযোগত আজি দুধনৈত এই শিবিৰ মুকলি কৰা হয়। এই শিবিৰত দুধনৈ সমষ্টিৰ ভালেসংখ্যক শিশু, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই শিবিৰত নাক, কান আৰু ডিঙিৰ ৰোগ, চৰ্মৰোগ, মানসিক ৰোগকে ধৰি কেইবাবিধো ৰোগ চিনাক্ত কৰি ঔষধ বিতৰণ কৰা হয়। **হোজাই** জিলাতো আজি শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত হয়।

ooooo

ৰাজ্যত যাত্ৰীৰ চাহিদা অনুসৰি স্থানীয় ৰে'লগাড়ী অৰ্থাৎ লোকেল ট্ৰেইন প্ৰৱৰ্তন কৰা আৰু ৰে'লগাড়ীসমূহ ৰখোৱাৰ সুবিধাজনক স্থান অৰ্থাৎ ষ্টপেজ দিয়াৰ দাবীত আজি ৰাজ্যখনৰ বিভিন্ন স্থানত নাগৰিক সংগঠনসমূহে মুখ্যমন্ত্ৰী আৰু ৰে'ল কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ প্ৰদান কৰি **ৰে'ল কী বাত** কাৰ্যসূচী ৰূপায়ণ কৰে। অসম ৰে'ল যাত্ৰী সংস্থাৰ আহ্বানত আজি বঙাইগাঁও, সৰুপেটা, চাপৰ, ধুবুৰী, লামডিং, ডিগবৈ আদি বিভিন্ন ষ্টেচনত ভাৰপ্ৰাপ্ত ৰে'ল বিষয়াসকলৰ জৰিয়তে সংগঠনসমূহে মুখ্যমন্ত্ৰী আৰু ৰে'ল কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰকেইখনত অসম তথা উত্তৰ পূৰ্বাঞ্চলত ৰে'ল সেৱা সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে যোৱা কিছু বছৰত ব্যাপক পৰিমাণৰ পুঁজি আৱণ্টন কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনত বৈদ্যুতিকৰণ আৰু ৰে'লপথ দ্বৈতকৰণ সম্পূৰ্ণ হোৱাৰ পাছতো পৰ্যাপ্ত স্থানীয় ৰে'লৰ সুবিধা নোহোৱা, ক'ভিডকালত প্ৰত্যাহাৰ কৰা আস্থানসমূহ পুনৰ প্ৰৱৰ্তন কৰা আৰু নতুন পথেৰে স্থানীয় ৰে'লগাড়ী প্ৰৱৰ্তন আদি কেইবাটাও দাবী সন্নিবিষ্ট কৰা হয়।

০০০০০

ৰাজ্য চৰকাৰে দক্ষ চালক সৃষ্টিৰ বাবে প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ চালক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাই এই সন্দৰ্ভত অতি সোনকালে এটা প্ৰস্তাৱ গ্ৰহণ কৰিব বুলি পৰিবহন মন্ত্ৰী যোগেন মহনে সদৰি কৰিছে। হাউলীত আজি ৰাজ্যৰ দ্বিতীয়টো চালক প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেক উদ্বোধন কৰি মন্ত্ৰী শ্ৰীমহনে কয় যে চৰকাৰৰ এই সিদ্ধান্তৰ ফলত যুৱ সমাজৰ বাবে সংস্থাপনৰ নতুন পথ মুকলি হ'ব। ইয়াৰ ফলত দুৰ্ঘটনা ৰোধ, যান-জঁটৰ সমস্যা, তীব্ৰ গতি আৰু সুৰাপান কৰি গাড়ী চলোৱা আদি সমস্যাসমূহো হ্ৰাস পাব বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে। হাউলীত আজি উদ্বোধন কৰা প্ৰশিক্ষণ কেন্দ্ৰটোৰ পৰা বছৰি ছহেজাৰ দক্ষ বাহন চালক সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰি লোৱা হৈছে বুলি তেওঁ কয়।

০০০০০

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস দদউদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰধানমন্ত্ৰীয়ে যোৱা ১৪ ছেপ্তেম্বৰত উদ্বোধন কৰা নুমলীগড় শোধনাগাৰৰ বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বাবে ইতিমধ্যে এক কোটি টকা মূল্যৰ বাঁহ শোধনাগাৰ কৰ্তৃপক্ষই ক্ৰয় কৰিছে। এই প্ৰকল্পৰ বাবে বাঁহৰ এটা অবিৰত যোগান শৃংখলা গঢ়ি তুলিবলৈ এন আৰ এল কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা লৈছে। ৫ হাজাৰ কোটি টকাৰে স্থাপন কৰা বিশ্বৰ প্ৰথম হিচাপে পৰিগণিত এই বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত